# প্রথম অধ্যায়

## : প্ৰথম অধ্যায় :

### ০. ০১. ০০ মিত্ৰদেৱ মহন্তৰ বংশ পৰিচয় ::

### ০. ০১.০১ মহন্তৰ জন্মস্থানৰ বৰ্ণনা :

আহোমসকলৰ শাসন কালত ইতিহাস প্ৰসিদ্ধ 'টোকোলাই বচা' নামৰ পুৰণি ঠাই খনেই সময়ৰ সোঁতত পৰ্যবসিত হ'ল 'যোৰহাট' নগৰলৈ। যোৰহাট আছিল আহোমসকলৰ ৰাজত্বৰ শেষ ৰাজধানী। অসমৰ পুৰণি ইতিহাসৰ পাত লুটিয়ালেই এইকথা প্ৰতীয়মান হয়যে বিভিন্ন ঠাইৰ বিভিন্ন নগৰসমূহ বিশেষকৈ উজনি অসমৰ আহোম স্বৰ্গদেউসকলেই প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল। উদাহৰণ স্বৰূপে - গড়গাঁও, চৰাইদেউ, চৰগুৱা, ৰংপুৰ, শলগুৰি, পোৱানগৰ বা দিহিংনগৰ আদি ঠাইত সময় আৰু সুবিধা অনুযায়ী আহোম স্বৰ্গদেউসকলে একোখন নগৰ কৰি ক্ৰমান্বয়ে ৰাজধানীলৈ পৰ্যবসিত কৰিছিল আৰু তাৰ ঐতিহ্যময় স্বাক্ষৰ সেই সেই ৰাজধানীসমূহৰ ধ্বংসাৱশেষসমূহে এতিয়াও বহন কৰি আহিছে।[১]

আহোম স্বৰ্গদেউ চুহিত্পংফা, হিন্দুনাম গৌৰীনাথ সিংহই আহোম স্বৰ্গদেউৰ ৰাজধানী ৰংপুৰ মোৱামৰীয়াসকলৰ দবাৰা ধ্বংস প্ৰা হোৱাত ইংৰাজী ১৭৯৪ খ্ৰিষ্টাব্দৰ জুলাই আগষ্ট মাহত বুঢ়াগোঁহাই

---

১ লীলা গগৈ : অসমৰ সংস্কৃতি, আহোম যুগৰ সংস্কৃতি, প্ৰবন্ধ, ৫ম সং: ১৯৯৪, পৃ: ৭০-৭১

টাওৰীয়াই যোৰহাটলৈ ৰাজধানী তুলি আনে ।[২] এই ঘটনাৰ প্ৰায় সাতবছৰমান আগতেই বুঢ়াগোঁহাইয়ে দিচৈ নদী অৰ্থাৎ বৰ্তমানৰ ভোগদৈ নদীৰ কাষত দুটা কোঠ দি মোৱামৰীয়াক ৰোধিবলৈ যুদ্ধ দিছিল । এই দুটা কোঠ যথাক্ৰমে বৰ্তমান জগন্নাথ বৰুৱা পথৰ কাষত থকা বালিগাঁৱৰ অন্তৰ্গত দিচৈ কাষত এটা, আৰু আনটো কোঠ নাওবৈছা গাঁৱৰ ওচৰত আছে । এইদৰে দুটা কোঠ থকাৰ বাবে এই কোঠ দুটাক সেই সময়ত 'যোৰকোঠ' বোলা হৈছিল । বৰ্তমান লক্ষ্মীনাথ বেজবৰুৱা পথৰ দাঁতিত সেই সময়ত মাছ বেচা কিনা এখন 'হাট' আছিল । মাছ বেচা কিনা হোৱাৰ বাবে সেই হাটখনক 'মাছৰহাট' বোলা হৈছিল । এই হাটখন পৰতীয়া ফুকনে চলাইছিল । এইখন হাটৰ উপৰিও যোৰহাটত আৰু এখন 'হাট' আছিল । সেইখন হাট আছিল ভোগদৈৰ দক্ষিণ পাৰে । ইয়াক 'চৌকী' বা চকীৰহাট' বুলি কোৱা হৈছিল । তালাচী চকী এটা ইয়াৰ কাষতে আছিল । তালাচী চকী থকা ঠাইৰ কাষতে এই হাটখন বহাৰ বাবে ই 'চকীৰহাট' নামেৰেই জনাজাত হৈ পৰিছিল সেই সময়ত । এইখন 'হাট' ৰাইডুঙীয়া ফুকনে চলাইছিল । দুখন 'হাট' যোৰপাতি থকাৰ বাবেই এই ঠাইখনক 'যোৰহাট' বুলিও উল্লেখ কৰা হৈছিল আৰু পাছলৈ এই নামেই প্ৰসিদ্ধ হৈ পৰিছিল ।[৩]

---

২(ক) গুণাভিৰাম বৰুৱা : অসম বুৰঞ্জী, দ্বিতীয় সংস্কৰণ,১৯৭২,পৃ:১১৮

(খ) পদ্মনাথ গোহাঞিবৰুৱা : অসমৰ বুৰঞ্জী,১৯৭৬,অ:প্ৰ:পৰিষদ,পৃ:৯৩

(গ) হিতেশ্বৰ বৰবৰুৱা : আহোমৰ দিন,২য় প্ৰকাশ,১৯৯৭, পৃ: ২৭০-৭১

(ঘ) Sir E. Gait : A History of Assam,Sixth Edition,1994,p.202

(ঙ) অমূল্য চন্দ্ৰ শৰ্মা : যোৰহাট ২০০,স্মৃতিগ্ৰন্থ,ঐতিহাসিক দৃষ্টিৰে শেষ ৰাজধানী যোৰহাট, প্ৰবন্ধ, পৃ: ২

৩. মণিৰাম দেৱান : বুৰঞ্জী বিবেক ৰত্ন, দ্বিতীয় খণ্ড(অপ্ৰকাশিত)পৃ:৩৫১

বুৰঞ্জীবিদ চাৰ এডৱাৰ্ড গেইটে উল্লেখ কৰিছে ---

As soon as the expedition was withdrawn,Gaurinath, despairing of holding Rangpur,proceeded with his chief nobles to Jorhat, which now became the capital.[8]

কছাৰী, ভগনীয়া, মৰাণ আৰু মোৱামৰীয়াৰ সম্মিলিত ৰণ বিদ্রোহৰ পাছত যেতিয়া সিহঁতে স্বৰ্গদেৱত বৰিৱলেহি, তেতিয়া সেই সম্প্রীতি স্থায়ী কৰিবৰ অভিপ্রায়ে ভৌগোলিক ৰাজনীতি অনুসৰি মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ডাঙৰীয়াই দিচৈৰ পৰা কলিয়নীলৈকে নতুনকৈ এখন নৈ খন্দালে । সেই নৈ খন্দাত অধিকাৰ বিলাকে খেলে খেলে ৰাইজক চাউল পিঠা খুৱাইছিল । তাৰলগতে স্বৰ্গদেৱ, ডাঙৰীয়া আৰু বৰবৰুৱাযো ৰাইজক জলপান দিছিল । সেই আপাহতে সেই নৈৰ নাম 'ভোগদৈ' হ'ল ।[৫]

অসমৰ তৃতীয় বৃহৎ নগৰ আৰু আহোমসকলৰ ৰাজত্বৰ শেষ ৰাজধানী যোৰহাট বৰ্তমান আধুনিক সাজেৰে গঢ়ি উঠিলেও পুৰণি ঐতিহ্যও যোৰহাটে বহন কৰি আহিছে । আহোমসকলৰ শেষ ৰাজধানী এই যোৰহাট আহোমৰ ৰাজত্ব কালত এই নগৰত পুৰণি নাম আছিল 'টোকোলা বচা'' । এই টোকোলাই বচাতেই দোষীক শাস্তি দিয়া হৈছিল আহোমৰ ৰাজত্বকালত ।

---

8 Sir Edward Gait : A History of Assam, Sixth Edition,1994,p.2

৫ পদ্মনাথ গোহাঁইবৰুৱা : অসম বুৰঞ্জী, পৃ: ৯৯

ইতিহাস প্ৰসিদ্ধ, ঐতিহ্যমণ্ডিত আৰু বৰ্তমান আধুনিক সাজেৰে সজ্জিত যোৰহাট নগৰৰ উত্তৰে পাঁচ কিলোমিটাৰ সমীপত 'ভোগদৈ' আৰু 'টোকোলাইবচা' ৰ সঙ্গমস্থল, সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ সৰ্বাইবন্ধা নামৰ ঠাইখনতেই অৱস্থিত 'লেটুগ্ৰাম সত্ৰ'। যোৰহাট নগৰৰ পৰা মাত্ৰ পাঁচ কিলোমিটাৰ দূৰত্বৰ উত্তৰ দিশত অৱস্থিত নগৰমুখী সভ্যতাই গা কৰি উঠা সৰ্বাইবন্ধা আধুনিক সভ্যতাৰে গঢ় লৈ উঠিলেও শস্য-শ্যামলা গাঁও 'সৰ্বাইবন্ধা'। সৰ্বাইবন্ধাতে লেটুগ্ৰাম সত্ৰ। পৃথিবীৰ বৃহত্তম নদীদ্বীপ মাজুলীত লেটুগ্ৰাম সত্ৰই প্ৰথমে প্ৰতিষ্ঠা লাভ কৰে। মিত্ৰদেৱ মহন্তৰ উৰ্ধ্বপুৰুষ বাপুৰামদেৱে পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ হৈ মাজুলীৰ বেঙেনাআটি আৰু আউনীআটি সত্ৰৰ মাজৰ কোদোবাহীত এই লেটুগ্ৰাম সত্ৰ স্থাপন কৰে। সেইঠাইত 'বাপুৰামৰ দ' বুলি এটুকুৰা স্থান চিনাক্ত আছিল।[6] মিত্ৰদেৱ মহন্ত সেই বাপুৰামৰে পৰিণতি। ১৯৫০ চনত সত্ৰৰ অধিকাৰৰ নিৰ্মালি শিৰত লয়। অধিকাৰ হিচাপে ৰজাঘৰ, প্ৰজাঘৰ, তথা সত্ৰ ও সমাজৰ লগত ওতপ্ৰোত ভাৱে জড়িত হৈ উনাশৈব বছৰ কাল এক ব্যস্তময় জীৱন অতিবাহিত কৰে। তেওঁ আছিল এক জনপ্ৰিয়, উদাৰ আৰু প্ৰতিভাশালী ব্যক্তি।

১৮৯৪ খ্ৰিষ্টাব্দৰ ৯ জুন (১৮১৬ শকৰ ২০ জেঠ, শুক্লাষষ্ঠী) শনিবাৰে সৰ্বাইবন্ধাৰ লেটুগ্ৰাম সত্ৰত বগীতৰা আইৰ গৰ্ভত আৰু শ্ৰীশ্ৰী নিৰঞ্জনদেৱ গোস্বামীৰ ঔৰসেৰে জন্ম লাভ কৰে মিত্ৰদেৱ মহন্তই।

---

৬ মহেশ্বৰ নেওগ(সম্পা.): পবিত্ৰ অসম, পৃ: ৮৩

মিত্ৰদেৱ মহন্তৰ জন্মৰ তাৰিখ কিছু কিছু লোকে ১৮৯৪ খ্ৰীষ্টাব্দৰ ১৩ জুন বুলি লিখাও দেখা যায়। ১৮৯৪ খ্ৰীষ্টাব্দৰ এই ৯জুন আৰু ১৩ জুন তাৰিখ দুটা লৈ কিছু কিছু প্ৰবন্ধকাৰৰ মাজত মতানৈক্যও পৰিলক্ষিত হয়। অন্যকি একেগৰাকী প্ৰবন্ধকাৰে এবাৰ ৯ জুন আৰু এবাৰ ১৩ জুন এইদৰে উল্লেখ কৰাও দেখা পোৱা গৈছে। আকৌ অন্য এগৰাকী প্ৰবন্ধকাৰে তাকো চেৰাই গৈ ১৮৯৪ চনৰ পৰিবৰ্তে ১৮৯৫ চন উল্লেখ কৰা-টোও মন কৰিবলগীয়া। এই একে ক্ষেত্ৰত আমি বিভিন্ন প্ৰবন্ধ চালি জাৰি চোৱাৰ উপৰিও কেইজনমান প্ৰখ্যাত জ্যোতিষীৰ হতুৱাই তেওঁৰ জন্ম চক্ৰ গণনা কৰাই ১৮৯৪ খ্ৰীষ্টাব্দৰ ৯ জুন তাৰিখটোকে শুদ্ধ বুলি বিবেচিত কৰি গ্ৰহণ কৰিছোঁ। এই সংক্ৰান্তত পাদটীকা দ্ৰষ্টব্য।*

---

-*- মিত্ৰদেৱ মহন্তৰ ইংৰাজী জন্ম তাৰিখটোত কিছু মতানৈক্য দেখা গৈছে। তেওঁৰ জন্ম তাৰিখটো কোনো কোনো প্ৰবন্ধকাৰে ইংৰাজী ১৮৯৪ চনৰ ৯ জুন আৰু কোনো কোনো প্ৰবন্ধকাৰে ইয়াক ১৮৯৪ চনৰ ১৩ জুন হিচাপে দেখুৱাইছে। অসমীয়াতো তেনেদৰে ১৮১৬ শকৰ ২৩ জেঠ আৰু ২৭ জেঠ ৰূপে প্ৰকাশ কৰা দেখা যায়।

১. মিত্ৰদেৱ মহন্তৰ শুদ্ধা অৰ্ঘ্য যাঁচি যোৰহাটৰপৰা প্ৰকাশিত 'শুদ্ধা অৰ্ঘ্য' নামৰ পুথিত প্ৰকাশ কৰা 'সাহিত্যচাৰ্য মিত্ৰদেৱ মহন্তৰ এটি পৰিচয়' নামৰ প্ৰবন্ধত বিশিষ্ট সাহিত্যিক তথা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, উপসভাপতি তথা সভাপতি শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামীয়ে মহন্তৰ জন্ম তাৰিখ উল্লেখ কৰিছে এনেদৰে : ১৮১৬ শকৰ ২৩ জেঠ, ইংৰাজী ১৮৯৪ চনৰ ৯ জুন (পৃ: ৫)

২. এজন লিখকৰে ১-১৫ জুলাই ১৯৯০ চনৰ 'সূত্ৰধাৰ'ত প্ৰকাশিত 'সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত.' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে এনেদৰে : ১৮৯৪ চনৰ ১০ জুন তাৰিখ (পৃ: ৩৫)

৩. উদীয়মান লিখক অভিবক্তা প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ স্বৰচিত পুথি 'ল'ৰাৰ মিত্ৰদেৱ'ত জন্ম তাৰিখ দেখুৱাইছে এনেদৰে : ১৮৯৪ চনৰ ১০ জুন ।(পৃ: ১)

৪. অধ্যাপক নন্দ তালুকদাৰৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' গ্ৰন্থত মিত্ৰদেৱ মহন্তৰ জন্ম তাৰিখ এনেদৰে দেখুৱাইছে : ১৮৯৪ চনৰ ৯ জুন । (পৃ: ৮৫)

৫. 'অসম সাহিত্য সভা পত্ৰিকা' ঊণচত্বাৰিংশৎ বছৰ, ১ম সংখ্যা, ১৯৮২ চন সাহিত্যিক পৰিচয় শিতানত 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান আয়োজিত সভাত মিত্ৰদেৱ মহন্তৰ জন্ম ১৮৯৪ চনৰ ৯ জুন বুলি উল্লেখ কৰিছে ।

৬ ড' শিৱনাথ বৰ্মনৰ 'অসমীয়া জীৱনী অভিধান'ত মিত্ৰদেৱ মহন্তৰ জন্ম তাৰিখ ইংৰাজী ১৮৯৫ চনৰ ৯ জুন বুলি উল্লেখ কৰিছে । প্ৰথম সংস্কৰণ, ১৯৯২ চন (পৃ: ২২৫-২৬)

৭. ড' হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ 'অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি'ত ১৮৯৪ খৃষ্টাব্দত জুন মাহৰ ৯ তাৰিখে যোৰহাটৰ লেটুগ্ৰাম সত্ৰত জন্ম হয় বুলি উল্লেখ কৰিছে । প্ৰ:স: ১৯৬৮,(পৃ: ২৬৪)

৮. ড' সত্যেন্দ্ৰ নাথ শৰ্মাই তেওঁৰ 'অসমীয়া সাহিত্য সমীক্ষাত্মক ইতিবৃত্ত'ত ১৮৯৪ চনকেই দেখুৱাইছে, আৰু যোৰহাটৰ লেটুগ্ৰাম সত্ৰ বুলিয়েই উল্লেখ কৰিছে যদিও কোন তাৰিখে জন্ম সেইকথা উল্লেখ কৰা নাই । ২য় প্ৰ:১৯৮৪ চন (পৃ: ৩৮৯)

৯. অধ্যাপিকা কেশদা মহন্তই শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি(১৯৯৪) নামৰ পুস্তিকাত প্ৰকাশিত 'সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত : জীৱন আৰু কৃতিত্বত এভুমুকি' নামৰ প্ৰবন্ধত ১৮১৬ শকৰ জেঠ মাহৰ ২৭ তাৰিখ (ইং ১৮৯৪ চনৰ ১০ জুন) বুলি উল্লেখ কৰিছে ।

১০. বিশিষ্ট সাংবাদিক আৰু প্ৰবন্ধকাৰ শ্ৰীবদন বৰুৱাই আজিৰ বাতৰি, ৯ জুন, বৃহস্পতিবাৰ, ১৯৯৪ চনৰ 'অজাতশত্ৰু মিত্ৰদেৱ মহন্ত' নামৰ প্ৰবন্ধত মহন্তৰ জন্ম ১৮৯৪ চনৰ ৯ জুন বুলি উল্লেখ কৰিছে ।

০.০১.০২ মহন্তৰ বংশ পৰিচয় ও বংশলতা :

মিত্ৰদেৱ মহন্তৰ পিতৃদেৱ নিৰঞ্জন মহন্তই দুগৰাকী বিবাহ কৰিছিল। প্ৰথম গৰাকীৰ নাম হ'ল বগীতৰা দেৱী। বগীতৰা দেৱী আছিল সাউদকুছি সত্ৰৰ টিমক মহন্তৰ কন্যা। দ্বিতীয়া গৰাকী পত্নীৰ নাম হ'ল মিত্ৰবৃন্দা দেৱী। প্ৰথমগৰাকী পত্নী বগীতৰা আইদেউৰ একমাত্ৰ পুত্ৰ মিত্ৰদেৱ আৰু দুগৰাকী কন্যা। যথাক্ৰমে তেওঁলোকৰ নাম হ'ল আইকণ আৰু আইদেউ। দ্বিতীয়া পত্নী অৰ্থাৎ মিত্ৰবৃন্দাৰ পুত্ৰ যথাক্ৰমে নবীন আৰু প্ৰবীণ। কন্যাও দুগৰাকী। ডাঙৰ গৰাকীৰ নাম হ'ল - অৰুণা আৰু সৰু গৰাকীৰ নাম হ্ৰুণু।

মিত্ৰদেৱ মহন্তৰ পুত্ৰ সন্তান এজন। তেওঁৰ নাম মোক্ষদেৱ। জী যথাক্ৰমে - আইধান, অণু আৰু ৰেণু।

মোক্ষদেৱৰ সতি সন্ততি একেধৰণৰ - অঞ্জন (পুত্ৰ), সুৱদি (জী) হেমন্ত (পুত্ৰ)শ্ৰীমন্ত (পুত্ৰ) আৰু সুমন্ত (পুত্ৰ)

## বংশলতা[৭]




---

৭. সম্পাদক দ্বয় : শুদ্ধা অৰ্ঘ্য, পৃ: ৫১

## ৩.০১.০৩ মহন্তৰ শিক্ষা জীৱন :

শিশুসকলৰ শিক্ষাৰ মূল বুনিয়াদ হৈছে নিজ ঘৰ । মাক-দেউতাক, ককাই-ভাই, বাই-ভনী, আত্মীয় স্বজনৰ সংস্পৰ্শত থাকি শিশুৱে এটি দুটিকৈ মাত কথা, আচাৰ ব্যৱহাৰ আৰু শিক্ষা আদি আহৰণ কৰে । মিত্ৰদেৱ মহন্ত জন্মলগ্নৰে পৰাই এক সাংস্কৃতিক পৰিৱেশৰ মাজত ডাঙৰ দীঘল হৈছিল । মহন্তৰ পিতৃ নিৰঞ্জনদেৱ অধিকাৰ গোস্বামী এজন সুদক্ষ নাট্যকাৰ আছিল । তেখেতে কেইবাখনো নাটক ৰচনা কৰাৰ উপৰিও তেখেত আছিল এজন সত্ৰীয়া সংস্কৃতিৰ সাৰ্থক অনুশীলনকাৰী ব্যক্তি । মিত্ৰদেৱ মহন্তৰ ককাক স্বৰ্গীয় হৰিচন্দ্ৰ অধিকাৰো এজন নিপুণ কলাকাৰ আছিল । সেই সময়ত কোনো মনোবিজ্ঞান শিক্ষাৰ সুবিধা, পৰিৱেশ আদি নথকাকৈয়ে তেখেতে শিশুৰ মনোবিজ্ঞান জানিছিল । সেয়ে সকলো প্ৰকাৰে নিয়মীয়া সহজ সৰল আৰু উচ্চাকাঙ্ক্ষাৰ পৰিৱেশ মিত্ৰদেৱ মহন্তৰ অন্তৰত গঢ়ি তুলিবলৈ ককাকে অহোপুৰুষাৰ্থ কৰিছিল । তেখেতে মিত্ৰদেৱ মহন্তৰ শিশুকাল এক সাংস্কৃতিক পৰিৱেশেৰে গঢ়ি তুলিছিল ।

চাৰি বছৰ বয়সতে মিত্ৰদেৱ মহন্তক বৰ্ণমালা শিকাইছিল তেওঁৰ ককাকে । ৰত্নমালা ব্যাকৰণ আৰু অমৰ কোষৰ শ্লোকবিলাক স্পষ্টকৈ ককাকে তেওঁক অভ্যাস কৰাইছিল । খাঁওতে শোঁওতে অনবৰত মিত্ৰদেৱক ককাকে লগত ৰাখিছিল আৰু নীতি শিক্ষা দিছিল ।

মিত্ৰদেৱ মহন্তই সৰ্বাইবন্ধাৰ হেজাৰী প্ৰাথমিক বিদ্যালয়ত পোণতে শিক্ষালাভ কৰে । ১৯০৪ খ্ৰিষ্টাব্দত যোৰহাট চৰকাৰী উচ্চ ইংৰাজী

বিদ্যালয়ত নাম ভৰ্তি কৰে । ১৯১২ খ্ৰিষ্টাব্দত অৰ্থাৎ ১৬ বছৰ বয়সত মহন্তই সেই চৰকাৰী স্কুলৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় । ১৯১৪ খ্ৰিষ্টাব্দত গুৱাহাটীৰ কটন কলেজৰ পৰা আই এ পৰীক্ষা পাছ কৰে । তাৰ পিছত সেই একে কলেজতে সংস্কৃত বিষয়ত অৰ্নাছলৈ বিএ শ্ৰেণীত নাম লিখায় যদিও আৰ্থিক ক্ষেত্ৰত অনস্বচ্ছলতাৰ বাবে সিমানতে শিক্ষা সাং কৰিব লগীয়া হয় ।

0. ০১. ০৪ <u>অন্যান্য শিক্ষা</u> :

১৯২৫ চনত যোৰহাট চৰকাৰী হাইস্কুলত শিক্ষকতা কৰি থাকোঁতেই মিত্ৰদেৱ মহন্তই 'ঢাকা বিশ্ববিদ্যালয়' ৰ পৰা এল-টি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয় । 'ঢাকা বিশ্ববিদ্যালয়' বৰ্তমান বাংলা দেশৰ অন্তৰ্গত ।

0. ০১. ০৫ <u>বৈবাহিক জীৱন</u> :

শিৱসাগৰ জিলাৰ দোপদৰ মৌজাৰ নামতি দ'লৰ ওচৰত বেলিমুখীয়াত 'বগা চুপহা' সত্ৰ । বগীদ'লত 'চুপহা সত্ৰ' আৰু কোঁৱৰপুৰত 'ৰঙা চুপহা' সত্ৰ । আটাইখেলতো এখন 'চুপহা সত্ৰ' আছে । দিখৌ মুখতো ।[৮] অতীজতে যিখন 'চুপহা সত্ৰ' বগীদ'লত আছিল সেইখন পিছত শিৱসাগৰ টাওনৰ পূৱ দিশত অৱস্থিত হাঁহচৰা মৌজাৰ গড়কোমৰ গোঁহাই গাঁৱলৈ উঠি আছে । হাঁহচৰা মৌজা প্ৰায় ত্ৰিশ-চল্লিশ বৰ্গমাইল জুৰি বিস্তৃত ।

---

৮ মহেশ্বৰ নেওগ (সম্পা.): <u>পবিত্ৰ অসম</u>, পৃ:৫২

ঘন বসতি, খেতিয়েই জীৱিকাৰ প্ৰধান উৎস হলেও বৰ্ত্মান বহুত সংখ্যক মানুহেই চাকৰি জীৱি ।

শিৱসাগৰৰ ফালৰ পৰা গড়গাঁৱলৈ সোমোৱা বাটতে দুখন সিংহদুৱাৰ আছিল আহোম ৰজাৰ দিনত । এই সিংহদুৱাৰৰ পৰাই গোহাঁই গাঁওখন আৰম্ভ হৈছে ।

বগীদ'লৰ এই চুপহা সত্ৰৰ সত্ৰাধিকাৰ দেৱদত্ত মহন্ত । তেখেতৰ পুত্ৰ ছজন । কন্যা এগৰাকী । নাম লক্ষ্মীপ্ৰিয়া । সন্তান হিচাপে লক্ষ্মীপ্ৰিয়া দ্বিতীয় । সত্ৰাধিকাৰ দেৱদত্ত মহন্তৰ এই একমাত্ৰ কন্যা লক্ষ্মীপ্ৰিয়াকে ১৯২০ চনত মিত্ৰদেৱ মহন্তই বিবাহ কৰায় ।

সুযোগ্যা সহধৰ্মিনী লক্ষ্মীপ্ৰিয়া দেৱীৰ গৰ্ভত মিত্ৰদেৱ মহন্তৰ ঔৰসেৰে জন্ম গ্ৰহণ কৰা প্ৰথম কন্যা শিশুৰ নাম আইধান । তাৰ পিছত জন্ম লাভ কৰে পুত্ৰ মোক্ষদেৱে । মোক্ষদেৱৰ পিছত জী অণু আৰু ৰেণু । ধলৰ সত্ৰৰ সত্ৰাধিকাৰ বদন চন্দ্ৰ গোস্বামীয়ে অণুক বিবাহ কৰায় । অণুৰ আচল নাম শশীপ্ৰভা । শশীপ্ৰভাই দেউতাক মিত্ৰদেৱ মহন্তৰ দৰে শুৱলাকৈ বৰগীত গাব পাৰে । কণ্ঠও অতি সুন্দৰ । পৰিবেশনো অতি সুন্দৰ ।

মিত্ৰদেৱ মহন্তৰ একমাত্ৰ পুত্ৰ মোক্ষদেৱ গোস্বামী এজন গুণী শিক্ষক । তেওঁ বালিগাঁও হাইস্কুলত সহকাৰী শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি বৰ্তমান অৱসৰ গ্ৰহণ কৰিছে । মোক্ষদেৱৰ পুত্ৰ যথাক্ৰমে ' অঞ্জন, হেমন্ত,

শ্ৰীমন্ত আৰু সুমন্ত । কন্যা মাথো এগৰাকী । নাম সুৰদি । সুৰদিৰ ইতিমধ্যে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কৰ্মচাৰী শ্ৰীদ্বীপ মহন্তৰ লগত বিবাহ হৈ গৈছে ।

মিত্ৰদেৱ মহন্তৰ বৈৱাহিক জীৱন অতি সুন্দৰ আৰু সুখী সংসাৰ । পুত্ৰ পৰিবাৰ নাতি-পুতিৰে ভৰা । আনন্দমুখৰ পৰিবেশেৰে পৰিবেশিত এখন ঘৰ আৰু এটি সম্ভ্ৰান্ত পৰিয়াল ।

0. 0১. 0৬ মহন্তৰ কৰ্মজীৱন :

এক মধ্যবিত্ত পৰিয়ালত মিত্ৰদেৱ মহন্তই জন্ম লাভ কৰিছিল । পৃথিবীৰ আটাইতকৈ বেছি সমস্যাৰ সন্মুখীন হৈ আহিছে মধ্যবিত্ত শ্ৰেণীটোৱেই । তেওঁলোকৰ সমস্যা সমূহো হৈছে বিভিন্ন, বৈচিত্ৰ, বহুমুখী । কেতিয়াবা তেওঁলোকৰ এনে সমস্যাও আহে যি সমস্যাই তেওঁলোকক ত্ৰিশংকু অৱস্থাত পৰিণত কৰায় । তেওঁলোকে আঢ্যৱন্ত শ্ৰেণীৰ লগত খোজ মিলাবলৈ গৈ তাৰ পৰা বিচলিত হব লগীয়া হয় কেতিয়াবা । অন্যহাতেদি নিম্নবিত্ত শ্ৰেণীৰ লগতো জাঁহ যাব নোৱাৰে । এনে এক ত্ৰিশংকু অৱস্থাৰ মাজেদিয়েই তেওঁলোকৰ জীৱন অতিবাহিত কৰিব লগীয়া হয় । কেতিয়াবা এই মধ্যবিত্ত শ্ৰেণীটোৱে আৰ্থিক অনাটনৰ চেপাত তেওঁলোকৰ সপোন বাস্তৱত ৰূপায়ণ নকৰাকৈ আধৰুৱাকৈ এৰি পেলাব লগীয়া হয় । মহন্তৰ পৰিয়ালৰ লোককো এনে এটি আৰ্থিক তাড়নাই কেতিয়াবা কেতিয়াবা চেপি খুন্দি মাৰিছিল । তেওঁলোকক দিগভ্ৰান্ত

কৰি তুলিছিল । এনে এটি সমস্যাৰ ফলশ্ৰুতি হিচাপেই উদীয়মান শিক্ষাৰ্থী মিত্ৰদেৱে কলেজীয়া জীৱনত আৰু অগ্ৰসৰ হ'ব নোৱাৰিলে । ই বাধা স্বৰূপ হৈ উঠিল । সেয়ে মহন্তই কলেজীয়া জীৱনৰ সকলো উচ্চাকাংক্ষা পৰিত্যাগ কৰি কলেজীয়া শিক্ষা আধাডুখৰীয়া কৰি ঘৰৰ লৰা ঘৰলৈ বুলি প্ৰত্যাৱৰ্তন কৰিবলগীয়া হৈছিল ।

১৯১৪ খ্ৰিষ্টাব্দত আই-এ- পৰীক্ষাত কটন কলেজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ সেই একে কলেজতে সংস্কৃতত অৰ্নাছ লৈ বি-এ- মহলাত পঢ়ি থকা মিত্ৰদেৱ মহন্তই আৰ্থিক অনাটনৰ বাবে সকলো আশা-আকাংক্ষা পৰিত্যজি ঘৰত আহি কিছুদিন এনেয়ে কটালে । কিছুদিনৰ পিছতে অৰ্থাৎ ১৯১৫ খ্ৰিষ্টাব্দৰ ৫ জানুৱাৰী তাৰিখে যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বালক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে নিযুক্তি লৈ তেওঁ শিক্ষকৰূপেই কৰ্মজীৱনৰ পাতনি মেলিলে । তেওঁ এইখন স্কুলতে নিৰৱচ্ছিন্ন ভাৱে বাইশ বছৰকাল শিক্ষকতা কৰি ১৯৩৭ খ্ৰিষ্টাব্দত যোৰহাট নৰ্মাল স্কুলৰ সহকাৰী অধীক্ষক পদত নিয়োজিত হয় । ১৯৪৭ খ্ৰিষ্টাব্দত গোলাঘাট চৰকাৰী হাইস্কুলত প্ৰধান শিক্ষকৰূপে নিযুক্তি লাভ কৰে । তাৰ পিছত ১৯৪৯ চনৰ পৰা ১৯৫০ খ্ৰিষ্টাব্দলৈ এবছৰকাল গুৰু ট্ৰেইনিং স্কুলৰ অধীক্ষক হয় আৰু সেই একে বছৰতে অৰ্থাৎ ১৯৫০ খ্ৰিষ্টাব্দত তেওঁ চাকৰিৰ জীৱনৰ পৰা অৱসৰ লয় ।

মানৱ জীৱনেই হৈছে কৰ্মপৰিপূৰ্ণতা জীৱন । কিন্তু মানৱ জীৱনত কৰ্মৰ শেষ নাই । মিত্ৰদেৱ মহন্তও ইয়াৰ ব্যতিক্ৰম নহয় ।

T 24232

চাকৰি জীৱনৰ পৰা অৱসৰ লৈ যেন তেওঁ নতুন জীৱনৰ অনুসন্ধান কৰিলে । অৱশেষত এই নতুন কৰ্ম জীৱনৰ সন্ধান পালে । তেওঁ আকৌ বিৰামহীন কৰ্মজীৱনৰ মাজত সোমাই পৰিব লগীয়া হ'ল । ১৯৫০খ্ৰীষ্টাব্দত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈয়েই পুনৰ শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ অধিকাৰ পদত অধিষ্ঠিত হৈ নতুন কৰ্মজীৱন আৰু সাংস্কৃতিক জীৱন আৰম্ভ কৰে । জীৱনৰ প্ৰথম ভাগত সাহিত্য চৰ্চা আৰু দ্বিতীয় ভাগত ধৰ্ম চৰ্চা কৰি মিত্ৰদেৱ মহন্তই এক ব্যস্তময় জীৱন অতিবাহিত কৰিছিল । অৱশ্যে ধৰ্মৰ লগত সাহিত্যৰ পোনপটীয়া সম্বন্ধ দেখা পোৱা নাযায় যদিও ভাৰতীয় ধৰ্ম আৰু ইয়াৰ সাহিত্যৰ ইতিহাসত অঙ্গাঙ্গী সম্বন্ধ দেখা যায় । ইয়াক এটা মুদ্ৰাৰ ইপিঠি সিপিঠি বুলিও বিবেচনা কৰা হয় আৰু তাক অস্বীকাৰ কৰাটোও কঠিন হৈ পৰে । কেতিয়াবা ধৰ্মই সাহিত্যৰ আৰু সাহিত্যই কেতিয়াবা ধৰ্মক ভিত্তি কৰি সাৰটা সাৱটি কৰি আগবাঢ়ে । দৰাচলতে সাহিত্যৰ লক্ষ্য আৰু উপলব্ধিতকৈয়ো ধৰ্মীয় চিন্তা আৰু দৰ্শনক উচ্চাঙ্গ পৰ্য্যায়ৰ বুলি গণ্য কৰা হলেও কিন্তু সাধাৰণতে ধৰ্মইহে সাহিত্যৰ হাতত ধৰি বাট বুলাই লৈ ফুৰে ।

প্ৰাচীন কালৰ পৰা বৰ্তমান কাললৈকে ধৰ্মই সাহিত্যক বাহকৰূপে ব্যৱহাৰ কৰি অহাহে পৰিলক্ষিত হয় । ভাৰতীয় সাহিত্যত ইয়াৰ প্ৰোজ্জ্বল স্বাক্ষৰ ঋষি, মুনি-মনীষী আৰু মহান ব্যক্তিসকলৰ জীৱনী সমূহত এৰি থৈ গৈছে । জীৱনীসমূহেও তেওঁলোকৰ সংস্কৃত আৰু উচ্চাঙ্গ জীৱন যাপনত ধৰ্ম আৰু সাহিত্যই সমানে ক্ৰিয়া কৰাৰ কথাযেই প্ৰতীয়মান

হয় । কবীৰ, ৰামানুজ, বিদ্যাপতি, চৈতন্য, শংকৰদেৱ আৰু মাধৱদেৱ এই ব্যক্তিসকলেই তাৰ স্বাক্ষৰ বহন কৰি আহিছে । কিন্তু তেওঁলোকে ধৰ্মৰ বাবেহে সাহিত্য সৃষ্টি কৰা পৰিলক্ষিত হয় ।[৯]

মহাপুৰুষ শংকৰদেৱে ধৰ্মৰ বাবে সাহিত্য সৃষ্টি কৰিছিল । কিন্তু মিত্ৰদেৱ মহন্তই ধৰ্মৰ বাবে সাহিত্য সৃষ্টি কৰা নাছিল । অথচ ধৰ্ম আৰু সাহিত্য দুয়োটা বিষয়ৰে তেওঁ একান্ত সাধক । বৰং ধৰ্মাচাৰ্য হোৱাৰ বাবে কিছু কিছু ক্ষেত্ৰত তেওঁ সাহিত্য চৰ্চাত অসুবিধাৰহে সন্মুখীন হৈছিল । এই ক্ষেত্ৰত তেওঁ টিটিভত কলহ বান্ধি পানীত সাতোঁৰাতো যেনে কষ্টকৰ সত্ৰাধিকাৰ হোৱাটোও তেনে কষ্টকৰ বুলি অভিমত পোষণ কৰে ।[১০]

০. ০১. ০৭ সাহিত্য সভাৰ লগত মিত্ৰদেৱ :

অসমীয়াজাতীয় জীৱনত যেনেকৈ ৰঙালি বিহু বাপতি-সাহন স্বৰূপ তেনেকৈ অসম সাহিত্য সভাও অসমীয়া জাতিৰ অতি চেনেহৰ আৰু অতি আদৰৰ ।

অসম সাহিত্য সভাৰ জন্ম হয় ১৯১৭ খ্ৰিষ্টাব্দত । ১৯১৭ খ্ৰিষ্টাব্দত তেইশ বছৰীয়া চফল, সুন্দৰ, সুঠাম ডেকা মিত্ৰদেৱ

---

৯ নাহেন্দ্ৰ পাদুন : অ: সা: স: পত্ৰিকা, সম্পাদকীয়, চত্বাবিংশত বছৰ, ১৯৮৩ চন ।

১০ প্ৰসেনজিত কুমাৰ গোস্বামী : ন'ৱাৰ মিত্ৰদেৱ, পৃ: ২৮

মহন্ত আছিল এই সংগঠনৰ লগত ওতপ্ৰোত ভাবে জড়িত । তেওঁ সাহিত্য সভাৰ এই জন্মলগ্নৰ পৰা তেওঁ মৃত্যুৰ আগমুহূৰ্তলৈকে বিভিন্ন সেৱা আগবঢ়াই থৈ গ'ল । সাহিত্য সভা যেন আছিল তেওঁৰ বাবে নিজ শৰীৰৰে কোনোবা এটি অঙ্গ আৰু সাহিত্য সভাযো মিত্ৰদেৱ মহন্তক যেন লৈছিল নাইখুটা স্বৰূপে । ১৯৩২ খ্ৰিষ্টাব্দৰ পৰা চাৰিবছৰ কাল মিত্ৰদেৱ মহন্ত আছিল অসম সাহিত্য সভাৰ সম্পাদক । ইয়াৰ পিছত আৰু দুবাৰ উপ-সভাপতি হয় ।

১৯৫৫ খ্ৰিষ্টাব্দত সাহিত্য সভাৰ সঙ্গীত শাখাৰ সভাপতি নিৰ্বাচিত হয় । ইয়াৰ পিছতে ১৯৬৪ খ্ৰিষ্টাব্দত ডিগবৈত বহা অসম সাহিত্য সভাৰ একোত্তৰ ত্ৰিংশ সন্মিলনৰ সভাপতি আসন শুৱনি কৰে মিত্ৰদেৱ মহন্তই । সেই সভাত প্ৰদান কৰা তেওঁৰ অভিভাষণখনি অতি সুন্দৰ আৰু সাৱলীলেই নহয় ই এক মূল্যবান দলিলো আছিল ।

০.০১.০৮ <u>সাংস্কৃতিক জীৱন</u> :

কটন কলেজৰ স্নাতক মহলাত পঢ়ি থকা কুৰি বছৰীয়া চফল ডেকা মিত্ৰদেৱ মহন্তই এক আৰ্থিক অনাটনত ভুগি ১৯১৪ খ্ৰিষ্টাব্দৰ শেহৰ ফালে কলেজ এৰি থৈ আহি তেওঁ কিছুদিন ঘৰতে এনেয়ে বহি থাকিব লগীয়া হৈছিল যদিও ঠিক তাৰ কিছুদিনৰ পিছতে অৰ্থাৎ ১৯১৫ খ্ৰিষ্টাব্দৰ

৫ জানুৱাৰী তাৰিখে যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বালক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে নিয়োগ পায় আৰু সেই বিদ্যালয়তে একেৰাহে বাইশ বছৰকাল শিক্ষকতা কৰি ১৯৩৭ খ্রিষ্টাব্দত যোৰহাট নৰ্মাল স্কুললৈ সহকাৰী অধীক্ষকৰূপে বদলি হৈ যায় । তাৰ পিছত ১৯৪৭ খ্রিষ্টাব্দত গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলত প্ৰধান শিক্ষকৰূপে অধিষ্ঠিত হয় । ১৯৪৯ খ্রিষ্টাব্দৰ ১জুনত সেই স্কুলৰ পৰা অৱসৰ লৈ পুণৰ গুৰু ট্ৰেইনিং স্কুলত (নৰ্মাল স্কুল) সেই একে খ্রিষ্টাব্দতে অধীক্ষকৰূপে নিয়োজিত হৈ সেইপদতে এবছৰকাল কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে । অৱসৰ গ্ৰহণ কৰিয়েই সেই একেবছৰতে অৰ্থাৎ ১৯৫০ খ্রিষ্টাব্দত শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ অধিকাৰ পদত অভিষিক্ত হৈ জীৱনৰ শেষ কাললৈকে তেওঁ ধৰ্মাচাৰ্য হৈ থাকে ।

মিত্ৰদেৱ মহন্ত অধিকাৰ পদত অধিষ্ঠিত হোৱাৰ পিছৰ পৰাহে যে সাহিত্য সংস্কৃতি আৰু সাংস্কৃতিক জীৱনৰ লগত ওতপ্ৰোত ভাৱে জড়িত হৈ পৰিছিল এনে নহয় ; মহন্ত সৰু কালৰে পৰাই যে সাংস্কৃতিক জীৱনৰ লগত জড়িত নাছিল এই কথা অস্বীকাৰ কৰা টান ।

শিশুকালৰে পৰা ককাকৰ লগত থাকি আটোলটোলকৈ ককাকে ইটোৰ পিছত সিটোকৈ সাংস্কৃতিক জীৱনৰ লগত জড়িত থকা কথা নিৰ্দেশাদি দি মিত্ৰদেৱ মহন্তৰ শিশু মনটো সাংস্কৃতিক ছাঁ পেলাইছিল । চাৰিবছৰ বয়সতে মিত্ৰদেৱ মহন্তক বৰ্ণমালা শিকাইছিল ।'ৰত্নমালা ব্যাকৰণ' পঢ়িবলৈ আৰু 'অমৰ-কোষ'ৰ শ্লোক বিলাক স্পষ্টকৈ মাতিবলৈ অভ্যাস

কৰাইছিল । খাওঁতে, শোওঁতে ককাকৰ চিৰলগৰীয়া মিত্রদেৱৰ এইজনা পৰম বৈষ্ণৱ ককাকে এটি সৰু খোলত হাত বুলাবলৈ শিকাইছিল । অকল সেয়েই নহয় বাঁহৰ চকুৱাত মূৰ্তি কাটিবলৈ, বাঁহৰ কাঠিৰে মুখা তৈয়াৰ কৰি তাত গোবৰ মাটি লেপি ৰং আদি বোলাবলৈ, সাঁতুৰিবলৈ, শৌচাদি নিত্য কৰ্ম কৰি উঠাৰ পিছত মাটি পানী লোৱাৰ পৰা গা পা ধোৱালৈকে এই সকলোবোৰ নিয়ম শিকাইছিল । ককাকৰ নিত্য নাম-প্রসঙ্গৰ সময়তো শিশু মিত্রদেৱ আছিল নিত্যসঙ্গী । সেয়ে শিশুকালৰ পৰাই মিত্রদেৱে নিত্য নৈমিত্তিক সাংসাৰিক জীৱনৰ ৰীতিনীতি বিলাক পালন কৰি চলিছিল ।

মিত্রদেৱ মহন্ত গীতা, ভাগৱত, কীৰ্তন, ঘোষা আদি শাস্ত্রতো পাৰ্গত হৈ উঠিছিল । ইয়াৰ মূলতেই নিশ্চয় এইকথা স্বীকাৰ কৰিব পাৰিযে তেওঁ এক বৈষ্ণৱ সাংস্কৃতিক পৰিবেশত ডাঙৰ দীঘল হৈছিল । বৰগীত ভটিমা আদি মুখস্থ থকাৰ উপৰিও গীতা, ভাগৱত আদিৰ শ্লোকো মুখস্থ ৰাখিছিল, প্রসঙ্গৰ সুন্দৰ নাম দিব জানিছিল । বৈষ্ণৱ ৰীতি মতে নাম প্রসঙ্গ কৰোঁতে যি যুগ্ম বস্ত্র চুৰিয়া-চাদৰ ব্যৱহাৰ কৰিব লাগে মিত্রদেৱেও সেই যুগ্ম বস্ত্রকে ব্যৱহাৰ কৰিছিল ।

সত্রীয়া ৰীতি মতে অংকীয়া নাট ব্রজাৱলী ভাষাত লিখাৰ পৰম্পৰা আছিল । মিত্রদেৱৰ ককাক হৰিচন্দ্র অধিকাৰ আৰু দেউতাক নিৰঞ্জন দেৱেও তাৰ কৃতিত্ব দেখুৱাব পাৰিছিল । এই ক্ষেত্রত সাহিত্যাচাৰ্য অতুল চন্দ্র হাজৰিকাৰ মন্তব্য প্রণিধানযোগ্য ---

: সেই কালৰ সত্ৰীয়া ৰীতিমতে অংকীয়া অৰ্থাৎ ব্ৰজাৱলী নাট লিখাৰ অভ্যাসো অধিকাৰ দেৱৰ আছিল । তেওঁৰ নাটকৰ ভিতৰত 'কুৰ্মাৱলী বধ' আৰু 'ভীস্মৰ শৰশয্যা' এই দুখনি নাটকৰ নাম লব পাৰি । মুঠতে দেউতাকতকৈ ককাদেউতাকহে মিত্ৰদেৱৰ শৈশৱ জীৱনৰ প্ৰধান মিত্ৰ আৰু আদৰ্শ শিক্ষক আছিল । ৭৪ বছৰ বয়সত তেখেত বৈকুণ্ঠী হয় ।[১১]

ককাক হৰিচন্দ্ৰ অধিকাৰদেৱে যেনেকৈ 'কুৰ্মাৱলী বধ' আৰু 'ভীস্মৰ শৰ-শয্যা' এই দুখনি অংকীয়া নাট লিখি কৃতিত্ব দেখুৱাইছিল সেইদৰে দেউতাক নিৰঞ্জন অধিকাৰ গোস্বামীদেৱেও 'বিৰাট পৰ্ব' লিখি কৃতিত্ব দেখুৱাবলৈ সক্ষম হৈছিল । 'বিৰাটপৰ্ব'ৰ উপৰিও তেখেতৰ 'সীতা হৰণ', 'উৰ্বশী উদ্ধাৰ', 'হৰিচন্দ্ৰ', 'অভিমন্যু বধ' আদি প্ৰায় ছয়-সাতখন নাটকেও নিৰঞ্জনদেৱৰ কৃতিত্ব বহন কৰে ।

হৰিচন্দ্ৰ অধিকাৰ বৈকুণ্ঠগামী হোৱাৰ পিছতেই নিৰঞ্জনদেৱ অধিকাৰী গোস্বামী, শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ অধিকাৰ হয় । তেওঁৰ কালতেই অসমৰ প্ৰায়বোৰ সত্ৰত বঙলা ভাষাত লিখা নাটকৰ ভাওনাহে বৰ পয়োভৰেৰে প্ৰচলিত হৈছিল । ঠিক সেই সময়তে স্বৰ্গীয় মিত্ৰ জগন্নাথ বৰুৱা চাওৰীয়াৰ উৎসাহ উদ্দীপনাত নিৰঞ্জন গোস্বামীদেৱে অসমীয়া নাট লিখিবলৈ লয় আৰু অসমীয়া নাট 'বিৰাটপৰ্ব'ৰ ভাওনা কৰি মহাৰাণী ভিক্টোৰিয়াৰ হীৰক জয়ন্তী আৰু সম্ৰাট সপ্তম এডৱাৰ্ডৰ অভিষেক উৎসৱত

---

১১ অতুল চন্দ্ৰ হাজৰিকা : মন্বন্তলেখা, পৃ: ৪৮

যোৰহাটৰ ৰাইজক মন্তওস্থ কৰি দেখুৱাই বিপুল সমাদৰ লাভ কৰিছিল । তেখেতেই এনেদৰে প্ৰায় লুপ্ত হৈ যাব খোজা অসমীয়া ভাওনাৰ পুণৰ প্ৰচলন কৰাত আগভাগ লৈছিল । তেখেতৰ কালতেই অনেক সত্ৰ আৰু গাঁৱতো অসমীয়া ভাষাত লিখা নাটকৰ প্ৰতি ধাউতি বাঢ়ি গৈছিল ফলত বঙলা নাটকৰ প্ৰচলন লাহে লাহে টুটি আহিবলৈ ধৰিছিল ।

যোৰহাটকে প্ৰমুখ্য কৰি গোলাঘাট, শিৱসাগৰ, আদি কৰি অনেক ঠাইত নিৰঞ্জন অধিকাৰদেৱৰভাই-ভাতৃসকলে 'জোৰা' শিকাইছিল । এই 'জোৰা' বা 'গায়ন-বায়ন'ৰ দল নাই বুলিও কুৰিৰ অধিক হ'লেও কম নহয় ।

নিৰঞ্জনদেৱ অধিকাৰ গোস্বামীদেৱক সকলো ক্ষেত্ৰতে সহকাৰী হিচাপে সহায় কৰিছিল নাট্যকাৰ চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন ডাঙৰীয়াই । এই দুয়োজনা নাট্যকাৰৰ বিশেষ প্ৰীতি ভাৱ আছিল । গোস্বামীদেৱৰ ৰচিত বহু নাটকৰ সংলাপ বৰুৱাদেৱে চাই দিছিল আৰু প্ৰয়োজনবোধে একো একোটি ছেদ নতুনকৈ লিখি দিয়াতো কৃপণালি নকৰিছিল । অৱশ্যে গীত-মাত আৰু সূত্ৰধাৰৰ বচনবোৰ অধিকাৰদেৱৰ নিজৰ ৰচনা আছিল । ১৯৪৮ খ্ৰিষ্টাব্দত এইজনা অধিকাৰ নিৰঞ্জনদেৱে নৰতনু সম্বৰণ কৰে ।

হৰিচন্দ্ৰ অধিকাৰ আৰু নিৰঞ্জনদেৱ অধিকাৰ এই দুজনা পুৰোধা অধিকাৰৰ তত্ত্বাৱধান আৰু সু-পৰিচালনাত যি সত্ৰীয়া পৰিবেশৰ মাজত মিত্ৰদেৱ ডাঙৰ দীঘল হৈছিল তাৰ ফল স্বৰূপে তেওঁ এজন নিপুণ কলাকাৰ হ'ব পাৰিছিল ।

===========